# Situation in Eastern Ladakh

September 08, 2020

---

# পূব লাডাখৰ পৰিস্থিতি

ছেপ্তেম্বৰ 08, 2020

ভাৰতে এল এ চিত সৈন্যবাহিনী প্ৰত্যাহাৰ আৰু বিস্তৃতি ৰোধ কৰিবলৈ প্ৰচেষ্টা কৰি থকাৰ সময়ত চীনে ধাৰাবাহিকভাৱে উচতনিমূলক কাৰ্যকলাপ অব্যাহত ৰাখিছে।

ভাৰতীয় সেনাই কেতিয়াও এল এ চি পাৰ হোৱা নাই বা গুলীচালনা সহ কোনোধৰণৰ আক্ৰমণাত্মক উপায় অৱলম্বন কৰা নাই।

সামৰিক, কূটনৈতিক আৰু ৰাজনৈতিক স্তৰত আলোচনাৰ অগ্ৰগতি চলি থকাৰ সময়ত পি এল এ-য়ে চূড়ান্তভাৱে চুক্তিৰ উলংঘা কৰি আক্ৰমণাত্মক ৰণকৌশল চলাই গৈ আছে। যোৱাকালি 7 ছেপ্তেম্বৰ 2020 তাৰিখে চীনৰ পিপুল লিবাৰেশ্বন আৰ্মী(PLA)-ৰ সৈনিকসকলে এল এ চি-ত আমাৰ ফৰৱাড পজিশ্বনৰ ওচৰলৈ অহাৰ চেষ্টা কৰিছিল আৰু যিসময়ত ভাৰতীয় সেনা নিৰস্ত আছিল, সেই সময়ত পি এল এ বাহিনীয়ে শূণ্যলৈ কেইবা ৰাউণ্ডো গুলী ফুটুৱাৰ চেষ্টা কৰি ভাৰতীয় সৈন্যসকলক আতংকিত কৰাৰ চেষ্টা কৰে। তথাপিও এনে ভাবুকিৰ পিছতো আমাৰ সৈন্যসকল যথেষ্ট সংযম হৈ আছিল আৰু এক পৰিপক্ক আৰু দায়িত্বশীল আচৰণৰ প্ৰমাণ দিয়ে।

ভাৰতীয় সেনাবাহিনী সেনাবাহিনীয়ে শান্তি আৰু স্থিৰতা বজাই ৰাখাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ লগতে যিকোনো মূল্যৰ বিনিময়ত ৰাষ্ট্ৰীয় অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰাৰ বাবেও দৃঢ় প্ৰতিজ্ঞ। ৱেষ্টাৰ্ণ থিয়েটাৰ কমাণ্ডে প্ৰকাশ কৰা বিবৃতিত দেশৰ লগতে আন্তঃৰাষ্ট্ৰীয় মহলক বিপথে পৰিচালিত কৰাৰ এক প্ৰয়াস মাত্ৰ।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 08, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.